# হেমপ্ৰভা মৰাণৰ দুটা কবিতা

## নিষিদ্ধ যাত্ৰা

তুমি, মই একে বাটেৰেই যাম।
হাতে হাত ধৰি থকাৰ পাছতো
আমি হ'ব নোৱাৰোঁ সহযাত্ৰী।
বৰ নিঃসংগ এই যাত্ৰা
নিষ্কৰ নিষ্কন্টক যাত্ৰাপথ
অথচ,
নিষিদ্ধ সহযাত্ৰী।
সংগোপনে সোলোকাই থৈ পুৰণি পোছাক
দলিয়াই থৈ জীৱনৰ সেউজী সপোন
নিসাৰ নিস্তব্ধ এই যাত্ৰা।
আজীৱন কাম কৰি শীৰ্ণ হৈ পৰা
দুহাতো উদং ।
নিমাওমাও হৈ পৰা বেদনাঘন ক্ষণত
এটি মাথোঁ সঁচা প্ৰতিশ্ৰুতি
কেতিয়াও উভতি নহাৰ।

## পদূলিত দুখৰ ডাকোৱাল

মোৰ হৃদয়ৰ পদূলিত অহা-যোৱা কৰে
দুখৰ ডাকোৱাল।
ঘনে ঘনে লৈ আহে দুখেভৰা শব্দৰ চিৰ্ঠি।
কেতিয়াবা শব্দবোৰ আহে
বিষাদৰ ক'লীয়া ডাৱৰ হৈ
কেতিয়াবা ধুমুহা হৈ,
থানবান কৰি থৈ যায় মোৰ বুকুত সজা
আশাৰ ঘৰখন।
কেতিয়াবা শব্দবোৰ নামি আহে
দুখৰ দোপালপিটা বৰষুণ হৈ,
মোৰ কলিজাত বন্যা নামে ।
শব্দবোৰ হৈ পৰে
এখন সুবিশাল উত্তাল সাগৰ ।
সাঁতুৰি-নাদুৰি মই
নাপাওঁ পাৰাপাৰ ।
গছবোৰে উচুপে
বোঁৱতী নদীখনে মোলৈ পিঠি দিয়ে
শব্দবোৰৰ বুকু থান্দি থান্দি
মই নিজেই হৈ পৰোঁ এখনি
দুখৰ নদী।